**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-SEPTEMBER-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

১। দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজিৰেপৰা দুদিনীয়াকৈ জেষ্ঠ্য আৰক্ষী অধীক্ষকৰ সন্মিলন।

২। ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকা। কেন্দ্ৰীয় চৰকাৰে উজনি অসমৰ তিনিখন জিলাৰ বান প্ৰভাৱিত লোকৰ পুনৰ্বাসনৰ বাবে সহায় আগবঢ়াব বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

৩। আই আই টি, গুৱাহাটীক উত্তৰ-পূৰ্বাঞ্চলৰ আশা-আকাংক্ষাৰ প্ৰতীক বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আখ্যা।

৪। বিহালী অভয়াৰণ্যত এমাহৰ ভিতৰত ৫০ হেক্টৰ ভূমিত গছপুলি ৰোপণ কৰিবলৈ বন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ নিৰ্দেশ। *আৰু*

৫। আফগানিস্তানৰ বিৰুদ্ধে আসন্ন টি-২০ শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় ক্ৰিকেট দল ঘোষণা।

০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে জেষ্ঠ্য আৰক্ষী অধীক্ষকসকলৰ সন্মিলন অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিছু সময় পাছতে এই সমাৰোহত মুখ্য অতিথি হিচাপে অংশ ল'ব। সন্মিলনৰ আজি প্ৰথমদিনা দীক্ষান্ত সমাৰোহৰ আয়োজন কৰা হৈছে। প্ৰশিক্ষণ সমাপ্ত কৰা ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু ৩৭১ গৰাকী কনিষ্টবলে এই দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰিব। সন্মিলনত মাদক দ্ৰব্য সৰবৰাহ প্ৰতিৰোধক মূল বিষয় হিচাপে লোৱা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই কিছুদিন পূৰ্বে আৰক্ষী অধীক্ষক সন্মিলনত গ্ৰহণ কৰিবলগীয়া এই বিষয়বস্তু সন্দৰ্ভত সদৰি কৰি কয়, যে মাদক দ্ৰব্য সম্পৰ্কীয় অভিযোগত ২০২১ চনৰ পৰা অসমত ২৬ হাজাৰ ৫০০ ৰো অধিক লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৩ হাজাৰ ২৫৩ কোটি টকাৰ মাদক দ্ৰব্য জব্দ কৰা হৈছে। ম্যানমাৰৰ পৰা মিজোৰাম আৰু মণিপুৰৰ মাজেৰে বিভিন্ন পথেৰে অসমলৈ অনা এই সামগ্ৰী সমূহ ৰাজ্যখনৰ পৰা দেশৰ বাকী অংশলৈ সৰবৰাহ কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। নতুনকৈ অৰুণাচলৰ চাংলা জিলাৰ মাজেৰে অসমলৈ মাদক দ্ৰব্য সৰবৰাহ কৰিবলৈ এটা চক্ৰই চেষ্টা চলাইছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্ব আৰু সমৰ্থনত ম্যানমাৰৰ সৈতে উন্নত সমন্বয়, ৰাজ্যিক সীমান্তত কঠোৰ নিৰাপত্তা আৰু ক্ষিপ্ৰতাৰে চোৰাংচোৱাৰ তথ্য বিনিময়ৰ দ্বাৰা মাদক দ্ৰব্য সৰবৰাহ ৰোধ কৰাৰ চেষ্টা চলাই থকা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ নিচামুক্ত ভাৰত গঢ়ি তোলাৰ সংকল্পৰ সৈতে সমন্বয় ৰক্ষা কৰি ৰাজ্যখন আগবাঢ়ি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকাই দেখা দিছে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানত হৈ থকা নেৰানেপেৰা বৰষুণৰ বাবে সময়ে সময়ে কুৰিশু জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত বাক্সা আৰু

বৰপেটা জিলাৰ মাজেৰে বৈ যোৱা মানাহ আৰু বেকী নৈৰ জলস্তৰ বৃদ্ধি পাইছে। বৰপেটা জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগে জনোৱা মতে কালি জাৰি কৰা সতৰ্কতা এতিয়াও অব্যাহত আছে। বিভাগটোৱে নৈপৰীয়া অঞ্চলসমূহত বানৰ আশংকালৈ চাই নৈপৰীয়া লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। বৰপেটাৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তৰ চমু প্ৰতিবেদন –

ভইচকাষ্ট

ইপিনে, নাগালেণ্ডত হোৱা প্ৰবল বৰষুণৰ ফলত ভোগদৈ নদীৰ জলস্তৰ বৃদ্ধি হোৱাত উজনিতো বানৰ আশংকাই দেখা দিছে। বান বিধ্বস্ত চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত জিলা প্ৰশাসনে পুনৰ সতৰ্কতা জাৰি কৰিছে। নাগালেণ্ডৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীয়ে প্ৰকাশ কৰা বিবৃতিৰ ওপৰত ভিত্তি কৰি ৩০ আগষ্টৰ পৰা ২ ছেপ্তেম্বৰ পৰ্যন্ত সকলোকে সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে।

বিশ্বনাথ জিলাৰ গহপুৰৰ কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। জিলাখনৰ পাহাৰীয়া চত্ৰং, কুকুৰজান, ব্ৰহ্মাজান, বালিজান নৈৰ জলস্তৰ বৃদ্ধি পাইছে। জিলাখনৰ বানপীড়িত লোকসকলক পৰ্যাপ্ত পৰিমাণে সাহায্য আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। বিত্ত, বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি গহপুৰৰ কেইবাটাও বান প্ৰভাৱিত অঞ্চল পৰিদৰ্শন কৰে। বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰি তেওঁ সকলোধৰণৰ সাহায্য প্ৰদান কৰাৰ আশ্বাস দিয়ে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বান প্ৰভাৱিত লোকসকলৰ পুনৰ্বাসনৰ বাবে যথাসম্ভৱ সকলো সহায় আগবঢ়াব বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কয়, যে সংশ্লিষ্ট মন্ত্ৰালয়সমূহে ইতিমধ্যে পুনৰ্বাসনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। তেওঁ কয়, যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰালয়ে পথ আন্তঃগাঁথনিকে ধৰি গ্ৰামাঞ্চলৰ উন্নয়নৰ কাম-কাজ আৰম্ভ কৰিছে। প্ৰভাৱিত অঞ্চলসমূহত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত অতিৰিক্ত গৃহ নিৰ্মাণৰ সম্ভাৱনা চালি-জাৰি চোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰী সোনোৱালে কয়, যে জলজীৱন মিছনৰ মাধ্যমেৰে ক্ষতিগ্ৰস্ত এলেকাসমূহত খোৱা পানী যোগানৰ সম্ভাৱনাৰ অন্বেষণ কৰা হৈছে। সংশ্লিষ্ট সকলো মন্ত্ৰালয়ে বান ক্ষতিগ্ৰস্ত এলেকাসমূহৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

আই আই টি, গুৱাহাটীক উত্তৰ-পূৰ্বাঞ্চলৰ আশা-আকাংক্ষাৰ প্ৰতীক বুলি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই অভিহিত কৰিছে। আই আই টি, গুৱাহাটীৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কালি কয়, যে প্ৰতিষ্ঠানখনৰ তাৎপৰ্য কেৱল শৈক্ষিক উৎকৰ্ষতে সীমাবদ্ধ নহয়, বৰং ই অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ অভিলাষা আৰু আশা-আকাংক্ষাৰ প্ৰতীক। অসম চুক্তি স্বাক্ষৰৰ সময়ৰ গুৰুত্বপূৰ্ণ দাবীসমূহৰ ভিতৰত ৰাজ্যত এখন আই আই টি স্থাপনৰ দাবী অন্যতম আছিল বুলি উল্লেখ কৰি ডº শৰ্মাই কয়, যে প্ৰতিষ্ঠানখনৰ প্ৰকৃত অৱদান কেৱল ইয়াৰ শৈক্ষিক আৰু গৱেষণামূলক সাফল্যৰ দ্বাৰা মূল্যায়ন কৰিব নোৱাৰি। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণ সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ বাবে জ্ঞানক বাস্তৱসন্মত সমাধানলৈ ৰূপান্তৰ কৰাৰ সামৰ্থ্যইও আই আই টি, গুৱাহাটীৰ অৱদান নিৰূপণ কৰিব বুলি তেওঁ মন্তব্য কৰে।

**বাইট ( চি এম)**

তেওঁ কয়, যে উন্নত উৎপাদন, স্বাস্থ্য সোৱা, দক্ষতা বিকাশ, দুৰ্যোগ সহনশীলতা, নগৰীকৰণ, কৃষি আৰু নতুন প্ৰযুক্তিৰ ক্ষেত্ৰত আই আই টি, গুৱাহাটীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে লগতে অসম এডভান্স্‌ড হেল্‌থ কেয়াৰ ইন'গ'ৰেচন প্ৰতিষ্ঠান, ল' ফিল্ড এম আৰ আই, ছাৰ্জিকেল ৰ'ব'টিক্স আৰু উদ্ভিদভিত্তিক চিকিৎসা পদ্ধতি গৱেষণা, ছেমি কণ্ডাক্টৰ ক্ষেত্ৰখনত যুৱ প্ৰজন্মৰ দক্ষতা বিকাশ, ড্ৰোণৰ জৰিয়তে বান সঁহাৰি ব্যৱস্থা আৰু মহিলা নেতৃত্বাধীন উদ্যোগসমূহৰ বিকল্প ঋণ মূল্যায়নৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰাজ্য চৰকাৰ আৰু আই আই টি গুৱাহাটীৰ মাজৰ সহযোগিতামূলক পদক্ষেপৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে আই আই টি, গুৱাহাটীৰ শিক্ষাৰ্থীৰ বাবে এশটা বৃত্তি প্ৰদানত ৰাজ্য চৰকাৰে সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিছে।

০০০০০০

বিশ্বনাথ জিলাৰ বিহালী অভয়াৰণ্য কালি বন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই পৰিদৰ্শন কৰি অভয়াৰণ্যখনত এমাহৰ ভিতৰত ৫০ হেক্টৰ ভূমিত গছপুলি ৰোপণৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। কিছুদিন পূৰ্বে অৰুণাচলৰ একাংশ দুৰ্বৃত্তই অভয়াৰণ্যখনৰ ৪ হেক্টৰ ভূমিৰ বনাঞ্চল ধ্বংস কৰিছিল। ইয়াৰ পাছত ৰাজ্য চৰকাৰে পাৰিপাৰ্শ্বিক কৰ্মবাহিনীক বনাঞ্চলত গছপুলি ৰোপণৰ দায়িত্ব অৰ্পণ কৰে। সম্প্ৰতি প্ৰায় ২২ হেক্টৰ ভূমিত গছপুলি ৰোপণৰ কাম সম্পূৰ্ণ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

মন্ত্ৰীগৰাকীৰ এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ ৰঞ্জিত দত্ত, জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, বিধায়ক মুনীন্দ্ৰ দাসৰ উপৰি বন বিভাগ আৰু আৰক্ষী বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০০

সোণোৱাল-কছাৰী স্বায়ত্বশাসিত পৰিষদৰ সমাগত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে তৎকালে কাৰ্যকৰী হোৱাকৈ সোণোৱাল-কছাৰী স্বায়ত্বশাসিত পৰিষদৰ ৰাজ্যিক সমন্বয়ৰক্ষী সমিতি গঠন কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ অনুমোদনমৰ্মে ঘোষিত এই সমিতিখনত শৈলেন সোণোৱালক উপদেষ্টা, পলি হাজৰিকাক অধ্যক্ষ, প্ৰতীম সোণোৱালক সমন্বয়ক, প্ৰাঞ্জল শইকীয়া আৰু শিৱ বৰুৱাক যুটীয়া সমন্বয়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। সমিতিখনত আন ৪৭ গৰাকী সদস্যসহ মুঠ ৫২ জন বিষয়ববীয়া অন্তৰ্ভুক্ত হৈছে।

০০০০০০

কোকৰাঝাৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে কালি জিলাখনৰ খাৰিদা চান্দলাত এটা কৃষক পঞ্জীয়ন শিবিৰ পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়। পৰিদৰ্শনকালত আয়ুক্তগৰাকীয়ে কৃষকসকলক পঞ্জীয়ন প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশ ল'বলৈ আহ্বান জনায়। ইয়াৰ জৰিয়তে কৃষকসকলে চৰকাৰী আঁচনিৰ সা-সুবিধা উপযুক্ত সময়ত লাভ কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। আয়ুক্তগৰাকীয়ে ডিজিটেল শস্য জৰীপ ব্যৱস্থাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ জৰীপকাৰী আৰু বিভাগীয় বিষয়াসকলৰ সৈতে এই কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। তেওঁ নিৰ্ধাৰিত সময়ত শস্যৰ তথ্য পঞ্জীয়ন আৰু কাৰ্যকৰী পৰিকল্পনা আৰু নীতি নিৰ্ধাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০

স্বাস্থ্য খণ্ডত প্ৰধানমন্ত্ৰীৰ ডিজিটেল ইণ্ডিয়াৰ পৰিকল্পনা বাস্তৱায়িত কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা আয়ুষ্মান ভাৰত ডিজিটেল মিছন সফলভাৱে ৰূপায়ণ কৰাৰ বাবে ডিব্ৰুগড় জিলা প্ৰশাসনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। চলিত বৰ্ষৰ ৩১ জুলাইলৈকে জিলাখনত ৯ লাখ ৯০ হাজাৰৰো অধিক ABHA আইডি সৃষ্টি কৰা হৈছে। ইয়াৰে ২ লাখ ৬১ হাজাৰৰো অধিক আই ডি বৈদ্যুতিন স্বাস্থ্য ৰেকৰ্ডৰ সৈতে সংযুক্ত হৈছে। ABHA আই ডিৰ জৰিয়তে আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ সুবিধাসমূহ ৰাইজক অৱগত কৰাৰ লক্ষ্যৰে জিলা স্বাস্থ্য বিভাগে ব্যাপক সজাগতা অভিযান গ্ৰহণ কৰিছে। এই অভিযানৰ অংশ হিচাপে জিলাখনৰ চাহ বাগিচা, গ্ৰামাঞ্চল আৰু চহৰাঞ্চলত আয়ুষ্মান ভাৰত ডিজিটেল মিছন আৰু ABHA আই ডিৰ লাভালাভ সম্পৰ্কে ভিডিঅ' প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ উপৰি জিলাৰ সকলো চৰকাৰী চিকিৎসালয়, আয়ুষ্মান আৰোগ্য মন্দিৰত এই সম্পৰ্কীয় বেনাৰ, লিফলেট বিতৰণ কৰা হৈছে। চৰকাৰী চিকিৎসালয়, আয়ুষ্মান আৰোগ্য মন্দিৰসমূহত ABHA আই ডি সৃষ্টিৰ বাবে স্থায়ী কাউণ্টাৰৰ ব্যৱস্থা কৰা হৈছে।

oooooo

অইনবাৰৰ দৰে এইবাৰো ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কাইলৈ ৪৩ সংখ্যক অভিৰুচী ক্ৰীড়া দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব অভিৰুচি ক্ৰীড়া দিৱসৰ আয়োজক সমিতিৰ অধ্যক্ষ বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীয়ে কালি এই কথা সদৰি কৰি কয়, যে ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কাইলৈ পুৱা ৬ বাজি ১৫ মিনিটত সামুহিক দৌৰ অনুষ্ঠিত হ'ব। ক্ৰীড়া মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, একালৰ তাৰকা খেলুৱৈ তৈবুননেচা, অভিনেতা যতীন বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে এই সামুহিক দৌৰত অংশ ল'ব। অভিৰুচি ক্ৰীড়া দিৱসৰ দ্বিতীয় দিনা, নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত পৰহিলৈ পুৱা চাৰে ৯ বজাত আন্তঃ শিক্ষানুষ্ঠান পি টি আৰ নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। একেটা স্থানতে বিয়লি চাৰে ৫ বজাত খেলুৱৈ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনোৱা হ'ব।

oooooo

আফগানিস্তানৰ বিৰুদ্ধে খেলিবলগীয়া তিনিখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় পুৰুষ দলটো ঘোষণা কৰা হৈছে। শ্ৰেয়াছ আয়াৰে নেতৃত্ব দিবলগীয়া দলটোত তিলক বাৰ্মা উপ-অধিনায়ক হিচাপে থাকিব। দলটোৰ আনকেইগৰাকীমান খেলুৱৈ হৈছে জছপ্ৰীত বুমৰা, ৱাশ্বিংটন সুন্দৰ আৰু হৰ্ষিত ৰাণা। অহা ১৩, ১৫ আৰু ১৭ ছেপ্তেম্বৰত নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত এই শৃংখলা অনুষ্ঠিত হ'ব।

oooooo

নেৰানেপেৰা বৰষুণৰ ফলত কালি গুৱাহাটী মহানগৰৰ মঠঘৰীয়া আৰু সাতগাঁৱত সংঘটিত ভূমিস্খলনত চাৰিগৰাকীৰ মৃত্যু হোৱাৰ বাতৰিটো নিয়মীয়া বাৰ্তা, দৈনিক অসম, দৈনিক জনমভূমিকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতৰ শিৰোনাম– **মহানগৰীত জীৱন্তে সমাধিস্থ ৪ ব্যক্তি**, নিয়মীয়া বাৰ্তা কাকতৰ শিৰোনাম– **ভয়াৱহ ভূমিস্খলনত একেদিনাই প্ৰাণ গ'ল চাৰিজনৰ**।

চুবুৰীয়া ৰাষ্ট্ৰ ভূটানে কালি কুৰিশ্বু জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ পাছত বেকী নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে অসমীয়া প্ৰতিদিন কাকতে **নামনি অসমত হাই এলাৰ্ট** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কিৰ্গিস্তানত ২৬ সংখ্যক ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত সন্ত্ৰাসবাদ কোনো দেশৰ ৰাষ্ট্ৰনীতিৰ আহিলা হ'ব নোৱাৰে বুলি মন্তব্য কৰা বাতৰিটো বিস্তৃতভাৱে দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নেপালৰ শেহতীয়া বানত এতিয়া পৰ্যন্ত ৪ হাজাৰ লোক সন্ধানহীন হৈ আছে বুলি নেপালৰ দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা বাতৰিটো অগ্ৰদূত কাকতে তথ্য সহকাৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি লোকসভা ভৱনত মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আৰু চি এম ফ্লাইট আঁচনিৰ শুভাৰম্ভ কৰাৰ বাতৰিটো আমাৰ অসম কাকতে ফটোসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

উজনি অসমৰ বান ক্ষতিগ্ৰস্ত তিনিখন জিলাত পুনৰ্বাসনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সাহায্য আগবঢ়াব বুলি বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মন্তব্য কৰা বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

ওদালগুৰি জিলাৰ ভূঞাখাটৰ ছিপাঝাৰ-টংলা পথত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হয় আৰু দুজন গুৰুতৰভাৱে আহত হয়। মহলীয়াপাৰা দিশৰ পৰা অহা এখন চাৰিচকীয়া বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত পৰিয়াল এটাৰ চৌহদৰ পকী দেৱালত খুন্দা মৰাৰ ফলত হিমাংশু হাজৰিকা নামৰ যুৱক এজনৰ থিতাতে মৃত্যু হয়।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে ধাৰাসাৰ বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু মণিপুৰৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**